অধ্যায় ১২ ঃ পণ্ডিত দীনদয়াল উপাধ্যায়

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ জীৱন আৰু ৰাজনৈতিক কৰ্মজীৱন
১২.৪ একাত্ম মানৱবাদৰ দৰ্শন
১২.৪.১ ধাৰণা আৰু উৎপত্তি
১২.৪.২ মুখ্য বৈশিষ্ট্যসমূহ
১২.৫ ৰাষ্ট্ৰ, সমাজ আৰু অৰ্থনীতি সম্পৰ্কে উপাধ্যায়ৰ দৃষ্টিভংগী
১২.৬ পণ্ডিত দীনদয়াল উপাধ্যায়ৰ ৰাজনৈতিক চিন্তাধাৰাৰ প্ৰাসংগিকতা
১২.৭ উপাধ্যায়ৰ ৰাজনৈতিক চিন্তাধাৰাৰ সমালোচনা
১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলো
১২.৯ অধিক জানিবলৈ
১২.১০ অগ্ৰগতিৰ খতিয়ান
১২.১১ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জীৱন আৰু ৰাজনৈতিক অৱদানসমূহ বুজিব পাৰিব।
- একাত্ম মানৱবাদৰ (Integral Humanism) মূল নীতিসমূহ ব্যাখ্যা কৰিব পাৰিব।
- ৰাষ্ট্ৰ, সমাজ, অৰ্থনীতি, সংস্কৃতি আৰু গণতন্ত্ৰ সম্পৰ্কে তেওঁৰ মতামতসমূহ বিশ্লেষণ কৰিব পাৰিব।
- সমসাময়িক ভাৰতীয় ৰাজনীতিত উপাধ্যায়ৰ চিন্তাধাৰাৰ প্ৰাসংগিকতাৰ সমালোচনাত্মক মূল্যায়ন কৰিব পাৰিব।

১২.২ পৰিচয়

পণ্ডিত দীন দয়াল উপাধ্যায় (১৯১৬-১৯৬৮) এজন প্ৰখ্যাত ভাৰতীয় ৰাজনৈতিক চিন্তাবিদ, দাৰ্শনিক আৰু ভাৰতীয় জন সংঘৰ নেতা আছিল। তেওঁ "একাত্ম মানববাদ" (Integral Humanism) নামৰ এক স্বদেশী সামাজিক-ৰাজনৈতিক দৰ্শন প্ৰৱৰ্তন কৰাৰ বাবে বিশেষভাৱে জনাজাত। এই দৰ্শন ভাৰতীয় সাংস্কৃতিক পৰম্পৰাৰ ওপৰত আধাৰিত। তেওঁৰ চিন্তাধাৰাই পাশ্চাত্য ৰাজনৈতিক মতাদৰ্শসমূহৰ এক বিকল্প কাঠামো আগবঢ়ায় আৰু ব্যক্তি, সমাজ, প্ৰকৃতি আৰু বিশ্বব্ৰহ্মাণ্ডৰ মাজত সামঞ্জস্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

১২.৩ জীৱন আৰু ৰাজনৈতিক কৰ্মজীৱন

পণ্ডিত দীনদয়াল উপাধ্যায়ে ১৯১৬ চনত ভাৰতৰ মথুৰাৰ ফৰাহৰ ওচৰত অৱস্থিত চন্দ্ৰভান গাঁৱত (বৰ্তমান 'দীনদয়াল ধাম' নামে জনাজাত) জন্মগ্ৰহণ কৰে। শৈশৱতেই তেওঁ গুৰুত্বপূৰ্ণ সংকটৰ সন্মুখীন হৈছিল, কাৰণ দহ বছৰ বয়সতে তেওঁ নিজৰ দুয়োগৰাকী অভিভাৱকক হেৰুৱাইছিল। এই দুখ-কষ্টই তেওঁৰ অন্তৰত গভীৰ সহানুভূতি, নম্ৰতা আৰু আনৰ সেৱাত আত্মনিয়োগ কৰাৰ মনোভাৱ গঢ়ি তুলিছিল। মাতৃকুলীয় ককাদেউতাকৰ

তত্বাৱধানত তেওঁ ডাঙৰ-দীঘল হয়, যিয়ে তেওঁৰ স্বভাৱ আৰু মূল্যবোধ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

দুৰৱস্থাৰ মাজতো উপাধ্যায়ে শিক্ষাক্ষেত্ৰত অসাধাৰণ কৃতিত্ব দেখুৱাইছিল। তেওঁ পিলানীৰ বিৰলা মহাবিদ্যালয় (Birla College Pilani)-ত ইণ্টাৰমিডিয়েট শিক্ষা সম্পূৰ্ণ কৰে আৰু ১৯৩৭ চনত ব'ৰ্ড পৰীক্ষাত সকলো বিষয়তে বিশেষ কৃতিত্বসহ শীৰ্ষস্থান লাভ কৰে। তেওঁ স্বৰ্ণপদক লাভ কৰাৰ লগতে ঘনশ্যাম দাস বিৰলাৰ পৰা এটা বৃত্তিও লাভ কৰে। তাৰ পিছত তেওঁ কানপুৰৰ সনাতন ধৰ্ম মহাবিদ্যালয়ৰ (Sanatan Dharma College Kanpur)-ত স্নাতক ডিগ্ৰী অধ্যয়ন কৰি ১৯৩৯ চনত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰ পিছত তেওঁ আগ্ৰাৰ চেণ্ট জন মহাবিদ্যালয় (St. John's College Agra)-ত ইংৰাজী সাহিত্যত স্নাতকোত্তৰ কৰিবলৈ নামভৰ্তি কৰে, কিন্তু আত্মীয়ৰ অসুস্থতাসহ ব্যক্তিগত কাৰণত অধ্যয়ন সম্পূৰ্ণ কৰিব নোৱাৰিলে। এই ঘটনাত তেওঁ গভীৰ মানসিক আঘাত পাইছিল আৰু এম.এ. পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিলে। ফলত, সিকৰৰ মহাৰাজা (Maharaja of Sikar) আৰু শ্ৰী বিৰলাৰ পৰা লাভ কৰা বৃত্তিসমূহ বন্ধ হৈ যায়।

তাৰ পিছত তেওঁ প্ৰয়াগত বি.টি. (Bachelor of Teaching) ডিগ্ৰী লাভ কৰে আৰু জনসেৱাত প্ৰৱেশ কৰে। জনসেৱাৰ সৈতে জড়িত হোৱাৰ লগে লগে তেওঁৰ শিক্ষা-অনুৰাগ অধিক গাঢ় হয়, বিশেষকৈ সমাজবিজ্ঞান আৰু দৰ্শনৰ ক্ষেত্ৰত। কলেজ জীৱনত ৰাষ্ট্ৰীয় স্বয়সেৱক সংঘ (Rashtriya Swayamsevak Sangh), (আৰ.এছ.এছ.)-ৰ সৈতে তেওঁৰ সম্পৃক্ততাই তেওঁৰ আদৰ্শৰ বিকাশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। ইয়াৰ ফলত তেওঁ ভাৰতক নিজস্ব সাংস্কৃতিক ঐতিহ্যৰ আধাৰত গঢ়ি তোলাৰ পক্ষে মত প্ৰকাশ কৰে, যি পিছলৈ গৈ তেওঁৰ "একাত্ম মানববাদ" দৰ্শনত পৰিণত হয়।

বন্ধু শ্ৰী বালৱন্ত মহাশব্দেৰ (Shri Balwant Mahashabde) প্ৰেৰণাত তেওঁ ১৯৩৭ চনত আৰ.এছ.এছ.-ত যোগদান কৰে। আগ্ৰাত এম.এ. অধ্যয়নৰ সময়ত তেওঁ শ্ৰী নানাজী দেশমুখ আৰু শ্ৰী ভাউ জুগাড়েৰ সৈতে আৰ.এছ.এছ.-ৰ কাৰ্যকলাপত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। আৰ.এছ.এছ.-ৰ সৈতে গভীৰ সম্পৰ্কই তেওঁৰ ৰাষ্ট্ৰীয় সেৱাৰ প্ৰতি প্ৰতিশ্ৰুতি অধিক দৃঢ় কৰে আৰু ১৯৪২ চনত তেওঁ পূৰ্ণকালীন 'প্ৰচাৰক' হিচাপে কাম আৰম্ভ কৰে। তেওঁ উত্তৰ প্ৰদেশত বিস্তৃতভাৱে কাম কৰি সাংগঠনিক দক্ষতা আৰু ৰাজনৈতিক দূৰদৰ্শিতা বিকাশ কৰে আৰু শেষত যুটীয়া প্ৰান্ত প্ৰচাৰক হিচাপে উন্নীত হয়।

১৯৫১ চনত শ্যামা প্ৰসাদ মুখাৰ্জীয়ে ভাৰতীয় জন সংঘ (বি.জে.এছ.) প্ৰতিষ্ঠা কৰাৰ পিছত, আৰ.এছ.এছ.-এ উপাধ্যায়ক নতুন ৰাজনৈতিক দলটো শক্তিশালী কৰিবলৈ প্ৰেৰণ কৰে। তেওঁৰ সাংগঠনিক দক্ষতাৰ বাবে তেওঁ প্ৰথমে উত্তৰ প্ৰদেশ শাখাৰ সাধাৰণ সম্পাদক আৰু পিছত সৰ্বভাৰতীয় সাধাৰণ সম্পাদক হিচাপে নিযুক্ত হয়। ১৯৫৩ চনত মুখাৰ্জীৰ অকাল মৃত্যুৰ পিছত উপাধ্যায়ে নতুন দলটোৰ দায়িত্ব গ্ৰহণ কৰি ইয়াক এক শক্তিশালী ৰাজনৈতিক শক্তিত পৰিণত কৰে। ১৫ বছৰ ধৰি তেওঁ সাধাৰণ সম্পাদক হিচাপে সেৱা আগবঢ়াই সমগ্ৰ দেশজুৰি দলটোৰ প্ৰভাৱ বিস্তাৰ কৰে। ১৯৬৮ চনত তেওঁ দলটোৰ সভাপতি পদ গ্ৰহণ কৰে।

কিন্তু ১৯৬৮ চনৰ ১১ ফেব্ৰুৱাৰীত সন্দেহজনক পৰিস্থিতিত তেওঁৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ফলত ৫২ বছৰ বয়সতে তেওঁৰ জীৱনৰ অকাল অন্ত হয়।

১২.৪ একাত্ম মানববাদৰ দৰ্শন

১২.৪.১ ধাৰণা আৰু উৎপত্তি

একাত্ম মানববাদ এক সামগ্ৰিক (holistic) সামাজিক-ৰাজনৈতিক দৰ্শন, যিয়ে মানৱ জীৱনৰ ভৌতিক আৰু আধ্যাত্মিক দুয়োটা দিশৰ সমন্বয় ঘটাই ব্যক্তি আৰু সমাজৰ সামগ্ৰিক বিকাশ নিশ্চিত কৰাৰ কথা কয়। এই দৰ্শন ১৯৬৫ চনত Pandit Deendayal Upadhyay-এ প্ৰৱৰ্তন কৰে। ইয়াক

Bharatiya Jana Sangh-ৰ দিক-নির্দেশক দর্শন হিচাপে গ্রহণ কৰা হৈছিল, যি পাছলৈ Bharatiya Janata Party-ৰ পূর্বসূৰী দল।

এই ধাৰণাটো পাশ্চাত্য পুঁজিবাদ (Capitalism) আৰু সাম্যবাদ (Communism)-ৰ বিকল্প হিচাপে তৃতীয় পথ ৰূপে উদ্ভৱ হৈছিল। উপাধ্যায়ে পুঁজিবাদ আৰু সাম্যবাদ দুয়োটা মতাদর্শৰ সামাজিক আৰু ৰাজনৈতিক সীমাবদ্ধতাসমূহ সমালোচনা কৰিছিল। তেওঁ দেখুৱাইছিল যে এই মতাদর্শসমূহে মানৱীয় মূল্যবোধক উপেক্ষা কৰি অর্থনৈতিক দিশত অতিৰিক্ত গুৰুত্ব আৰোপ কৰে।

একাত্ম মানৱবাদৰ আদর্শিক ৰূপৰেখা প্রাচীন ভাৰতীয় পৰম্পৰা আৰু সাংস্কৃতিক ঐতিহ্যৰ পৰা উৎসাৰিত। ইয়াৰ দার্শনিক ভিত্তি মূলতঃ 'ধর্ম'ৰ আদর্শৰ ওপৰত প্রতিষ্ঠিত। উপাধ্যায়ে মানুহক কেন্দ্র কৰি গঢ়া এক স্বদেশী অর্থনৈতিক মডেলৰ প্রয়োজনীয়তা উল্লেখ কৰিছিল, যিয়ে মানৱ বিকাশক অগ্রাধিকাৰ দিব। তেওঁ যুক্তি দিছিল যে বিশ্বৰ সমস্যাসমূহৰ সমাধান বিচাৰিবলৈ ভাৰতৰ সাংস্কৃতিক আৰু আধ্যাত্মিক ঐতিহ্যৰ সজাগতা আৱশ্যক, কেৱল বিদেশী মতবাদৰ ওপৰত নির্ভৰশীল নহ'ব লাগে। তেওঁৰ মতে, "বিদেশী-বাদ" (ISM) সমূহক সম্পূর্ণ ৰূপে গ্রহণ কৰাটো সম্ভৱো নহয়, বুদ্ধিমানৰ কামো নহয়; কিন্তু আন সমাজসমূহৰ বিকাশক সম্পূর্ণ উপেক্ষা কৰাও উচিত নহয়।"

১২.৪.২ মুখ্য বৈশিষ্ট্যসমূহ

উপাধ্যায়ে 'একাত্ম মানববাদ' (Ekatma Manavvad) নামৰ ধাৰণাটো প্রস্তাৱ কৰিছিল, য'ত মানুহক চাৰিটা স্তৰীয় বৈশিষ্ট্যৰ আধাৰত চোৱা হয়। এইবোৰে চাৰিটা সার্বজনীন লক্ষ্যৰ সৈতে সম্পর্কিত—

শৰীৰ (কাম) ঃ ইচ্ছা বা তৃপ্তি
মন (অর্থ) ঃ ধন-সম্পদ
বুদ্ধি (ধর্ম) ঃ নৈতিক কর্তব্য
আত্মা (মোক্ষ) ঃ মুক্তি বা পৰমোদ্ধাৰ

এই সকলো লক্ষ্য গুৰুত্বপূর্ণ হ'লেও 'ধর্ম'ক মূল ভিত্তি আৰু 'মোক্ষ'ক মানৱ আৰু সমাজৰ চূড়ান্ত লক্ষ্য হিচাপে গণ্য কৰা হয়। উপাধ্যায়ে অন্যান্য মতাদর্শসমূহক প্রত্যাখ্যান কৰিছিল, কাৰণ পুঁজিবাদ আৰু সমাজবাদ দুয়োটাই মূলতঃ ভৌতিক ইচ্ছা আৰু ধন-সম্পদৰ ওপৰত গুৰুত্ব আৰোপ কৰি কেৱল শৰীৰ আৰু মনৰ প্রয়োজন পূৰণ কৰে।

একাত্ম মানববাদৰ এক কেন্দ্রীয় উপাদান হ'ল ব্যক্তি আৰু সমাজৰ আন্তঃসম্পর্ক। উপাধ্যায়ৰ মতে সমাজ কেৱল মানুহৰ সমষ্টি নহয়, বৰং ই এটা সজীৱ সত্তাৰ দৰে নিজস্ব স্বকীয়তা থকা এক জীৱন্ত একক। এই দৃষ্টিভংগীয়ে সমাজক "কুটুম্ব" (পৰিয়াল) হিচাপে বিবেচনা কৰে, য'ত সহযোগিতা আৰু সাধাৰণ আদর্শ অতি গুৰুত্বপূর্ণ। তেওঁ কয় যে ব্যক্তিৰ মর্যাদা ৰক্ষা সমাজৰ কল্যাণৰ সৈতে সংগতি ৰাখিহে সম্ভৱ। একাত্ম মানববাদে ভৌতিক সমৃদ্ধি আৰু আধ্যাত্মিক উৎকর্ষৰ মাজত ভাৰসাম্য প্রতিষ্ঠা কৰে। উপাধ্যায়ৰ মতে, প্রকৃত সুখ লাভ কৰিবলৈ ভৌতিকতা আৰু সন্তুষ্টিৰ সমন্বয় আৱশ্যক। এই দর্শনে উন্নয়নক কেৱল দ্বৈত (binary) ৰূপে চোৱাৰ ধাৰণাক প্রত্যাহ্বান জনাই নৈতিক শুদ্ধতা, মানসিক পৰিপক্কতা আৰু অর্থনৈতিক শক্তিক একে সময়তে মানৱ অস্তিত্বৰ আন্তঃসংলগ্ন ভিত্তি বুলি স্বীকাৰ কৰে।

উপাধ্যায়ৰ দর্শন ভাৰতীয় আধ্যাত্মিকতা আৰু সংস্কৃতিত দৃঢ়ভাৱে প্রতিষ্ঠিত, যাৰ মূল আধাৰ 'ধর্ম'-যি জীৱনৰ নৈতিক নিয়ম নির্ধাৰণ কৰে। তেওঁৰ মতে, "যদি সংস্কৃতি স্বাধীনতাৰ ভিত্তি নহয়, তেন্তে ৰাজনৈতিক স্বাধীনতা আন্দোলন কেৱল স্বার্থান্বেষী আৰু ক্ষমতালোভী ব্যক্তিসকলৰ দ্বাৰা চলোৱা প্রতিযোগিতাত পৰিণত হ'ব।"

একাত্ম মানববাদে সমসাময়িক বিশ্ব সমস্যা সমাধানত সামাজিক মূল্যবোধ আৰু স্বদেশী জ্ঞানৰ প্রাসংগিকতা উল্লেখ কৰে। উপাধ্যায়ৰ মতে, মানুহ কেৱল শাৰীৰিক বা অর্থনৈতিক সত্তা নহয়; তেওঁ শৰীৰ, মন, বুদ্ধি আৰু আত্মাৰ এক সমন্বিত সত্তা (Ekatma Manavvaad in Integral Unity)। তেওঁ ভাৰতীয় সংস্কৃতি, পৰম্পৰা আৰু জীৱনদর্শনৰ আধাৰত উন্নয়নৰ পক্ষে মত প্রকাশ কৰিছিল, পশ্চিমীয়া মডেল অনুকৰণৰ বিপক্ষে।

তেওঁ গ্রাম স্বৰাজ আৰু স্থানীয় স্ব-শাসনৰ জৰিয়তে বিকেন্দ্রীকৰণৰ পক্ষে আছিল। ব্যক্তিগত স্বাধীনতা আৰু সামূহিক কল্যাণৰ মাজত সামঞ্জস্য ৰক্ষা কৰাৰ লগতে প্রকৃতিৰ সৈতে সহঅস্তিত্বৰ সম্পর্ক গঢ়ি তোলাৰ প্রয়োজনীয়তা তেওঁ উল্লেখ কৰিছিল। শেষত, একাত্ম মানববাদত তেওঁ 'স্বাৱলম্বন'ৰ কথা উল্লেখ কৰে, য'ত স্থানীয় সম্পদ আৰু দক্ষতাৰ আধাৰত অর্থনৈতিক স্বায়ত্তশাসনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ একাত্ম মানববাদ কি? পণ্ডিত দীনদয়াল উপাধ্যায়ে কিমান চনত এই দর্শন প্রৱর্তন কৰিছিল?

প্রশ্ন নং ২ ঃ একাত্ম মানববাদ' (Ekatma Manavvad) ধাৰণাটো ব্যাখ্যা কৰক আৰু ইয়াৰ সৈতে জড়িত চাৰিটা লক্ষ্য উল্লেখ কৰক।

১২.৫ ৰাষ্ট্র, সমাজ আৰু অর্থনীতি সম্পর্কে উপাধ্যায়ৰ দৃষ্টিভংগী

পণ্ডিত দীনদয়াল উপাধ্যায়ৰ অনুসৰি ৰাষ্ট্র সর্বোচ্চ নহয়; ই 'ধর্ম'ৰ নীতি অনুসৰি চলিব লাগিব। তেওঁৰ দৃষ্টিত 'ধর্ম' কেৱল উপাসনাস্থল বা ধর্মীয় আচাৰৰ সৈতে সীমাবদ্ধ নহয়, আৰু ই কেৱল 'ধর্ম' (religion)-ৰ সমার্থকো নহয়। তেওঁ যুক্তি আগবঢ়াইছিল যে ধর্ম এক বিস্তৃত ধাৰণা, যিয়ে সমাজ আৰু বিশ্বব্রহ্মাণ্ডক ধাৰণ কৰি ৰাখে। পৰিস্থিতি আৰু সময়ৰ প্রয়োজন অনুসৰি ইয়াৰ ৰূপ সলনি হ'ব পাৰে।

উপাধ্যায়ে পাশ্চাত্য গণতন্ত্রৰ ধাৰণাৰ সমালোচনা কৰিছিল। তেওঁ গণতন্ত্রৰ মূল আদর্শৰ সৈতে সহমত আছিল যদিও তেওঁ মন কৰিছিল যে পশ্চিমীয়া গণতন্ত্র কেতিয়াবা নিয়ন্ত্রণহীন শাসক বা পুঁজিবাদ-প্রেৰিত একাধিপত্যবাদী ৰাজ্যক সহায় কৰে। তেওঁৰ লক্ষ্য আছিল গণতন্ত্রক অধিক ভাৰতীয় ৰূপ দিয়া। তেওঁ গণতান্ত্রিক প্রক্রিয়াৰ ভাৰতীয়কৰণক সমর্থন কৰিছিল। পশ্চিমত গণতন্ত্রৰ যি কাঠামো গঢ়ি উঠিছিল-কার্যনির্বাহী, বিধায়িনী, ন্যায়পালিকা আৰু সংবিধানিক শাখা-সেইবোৰক তেওঁ গণতন্ত্রৰ বাহ্যিক ৰূপ বুলি গণ্য কৰিছিল। তেওঁৰ মতে, গণতন্ত্রৰ প্রকৃত সাৰাংশ ইয়াৰ গঠনাত্মক কাঠামোত নহয়, বৰং জনসাধাৰণৰ ইচ্ছাক সঠিকভাৱে প্রতিফলিত কৰিব পৰা সামর্থ্যত নিহিত।

উপাধ্যায়ে সাংস্কৃতিক জাতীয়তাবাদক বিশ্বাস কৰিছিল আৰু ভাৰতীয় ঐতিহ্য সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে, এখন জাতি কেৱল ভৌগোলিক সীমা বা ৰাজনৈতিক ৰাজ্য নহয়; ই এক জীৱন্ত সাংস্কৃতিক সত্তা, যি সমূহীয়া ইতিহাস, পৰম্পৰা, মূল্যবোধ আৰু সামূহিক চেতনা দ্বাৰা গঢ়ি উঠে। সেয়েহে তেওঁৰ মতে জাতীয়তাবাদ সাংস্কৃতিক একতাৰ ওপৰত প্রতিষ্ঠিত হ'ব লাগিব, কেৱল সাংবিধানিক বা প্রশাসনিক ব্যৱস্থাৰ ওপৰত নহয়। এই কাৰণে তেওঁ ভাৰতীয় মূল্যবোধ আৰু জীৱনশৈলীত পশ্চিমীয়া প্রভাৱৰ বিৰোধিতা কৰিছিল। তেওঁৰ মতে, পশ্চিমীয়া জাতীয়তাবাদ ভূখণ্ড, জাতি, ভাষা বা ৰাজ্যশক্তিৰ ওপৰত নির্ভৰশীল; ই বহু ক্ষেত্রত বহিষ্কাৰমূলক আৰু আক্রমণাত্মক, আৰু ভৌতিকতা আৰু ৰাজনৈতিক আধিপত্যৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা। উপাধ্যায়ে সমসাময়িক ভাৰতত ভাৰতীয় সংস্কৃতিক শক্তিশালী চালিকা শক্তি হিচাপে গণ্য কৰিছিল, যিয়ে ৰাষ্ট্রৰ ভৱিষ্যৎ নির্ধাৰণ কৰিব। তেওঁৰ মতে সাংস্কৃতিক চেতনা কেৱল অতীতৰ অৱশেষ নহয়; ই দেশৰ গতি-দিশ

নির্ধাৰণ কৰা এক সক্রিয় শক্তি। তেওঁ ভাৰতীয় সংস্কৃতিক এক গতিশীল আৰু বিকাশমান সত্তা হিচাপে দেখিছিল, যিয়ে ৰাষ্ট্ৰৰ সামূহিক ভাগ্য প্রভাৱিত কৰে।

অর্থনৈতিক দৃষ্টিভংগীত, উপাধ্যায়ে বিদেশী অর্থনৈতিক মডেলসমূহৰ বিৰোধিতা কৰি 'স্বদেশী' আৰু বিকেন্দ্রীকৰণৰ পক্ষে মত প্রকাশ কৰিছিল। তেওঁৰ অর্থনৈতিক চিন্তাৰ মূল স্তম্ভ আছিল 'স্বদেশী'ৰ ধাৰণা। তেওঁ স্বদেশীয় সম্পদ আৰু দক্ষতাৰ আধাৰত স্বাৱলম্বনৰ পক্ষে আছিল আৰু স্থানীয় উৎপাদন স্থানীয় ভোগৰ বাবে ব্যৱহাৰ কৰাৰ পক্ষে মত প্রকাশ কৰিছিল। তেওঁ স্বাৱলম্বী গাঁও আৰু ক্ষুদ্র উদ্যোগসমূহৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু মিশ্র অর্থনীতিৰ সমর্থন কৰিছিল। উপাধ্যায়ে ভৌতিকতাবাদ আৰু অতিমাত্রাৰ ভোগবাদৰ বিৰোধিতা কৰিছিল। তেওঁৰ মতে অর্থনীতি মানৱ আৰু নৈতিক লক্ষ্য পূৰণৰ বাবে হ'ব লাগিব। তেওঁ 'মানৱ-কেন্দ্রিক অর্থনীতি'ৰ ধাৰণাক সমর্থন কৰিছিল আৰু কেৱল অর্থনৈতিক বিকাশে মানৱ কল্যাণ নিশ্চিত নকৰে বুলি যুক্তি আগবঢ়াইছিল। তেওঁৰ মতে ধন-সম্পদ বা ৰাষ্ট্র নহয়, মানুহেই অর্থনৈতিক জীৱনৰ কেন্দ্র। অর্থনৈতিক কার্যকলাপে ব্যক্তি আৰু সমাজৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক প্রয়োজন পূৰণ কৰিব লাগিব। ভৌতিক সমৃদ্ধিয়ে নৈতিক আৰু সামাজিক মূল্যবোধক ক্ষতি কৰিব নালাগে বুলি তেওঁ মত প্রকাশ কৰিছিল। ওপৰত আলোচনা কৰাৰ দৰে উপাধ্যায়ে সমাজবাদ, পুঁজিবাদ আৰু সাম্যবাদৰ সমালোচনা কৰিছিল। পুঁজিবাদৰ ক্ষেত্রত তেওঁ অতিমাত্রাৰ ব্যক্তিকেন্দ্রিকতা আৰু লাভ-সর্বাধিকৰণৰ নীতিৰ সমালোচনা কৰে। তেওঁৰ মতে পুঁজিবাদে অর্থনৈতিক অসমতা বৃদ্ধি কৰে আৰু ধন-সম্পদ কিছুমান লোকৰ হাতত কেন্দ্রীভূত কৰে। ইয়াৰ ফলত মানুহ কেৱল ভোক্তা আৰু শ্রমিক একক হিচাপে পৰিগণিত হয়। অৱশ্যে তেওঁ ব্যক্তিগত সম্পত্তিৰ সম্পূর্ণ বিৰোধিতা কৰা নাছিল; বৰং তেওঁ মত প্রকাশ কৰিছিল যে সম্পত্তি সামাজিক দায়িত্ব আৰু ধর্মৰ নীতিত পৰিচালিত হ'ব লাগিব। একেদৰে তেওঁ সমাজবাদ আৰু সাম্যবাদৰো বিৰোধিতা কৰিছিল, কাৰণ এই ব্যৱস্থাসমূহে অর্থনৈতিক জীৱনত ৰাষ্ট্রৰ নিয়ন্ত্রণ আৰোপ কৰি ব্যক্তি স্বাধীনতা দমন কৰে আৰু সমাজক যান্ত্রিক গঠন হিচাপে চায়, যিয়ে সাংস্কৃতিক আৰু আধ্যাত্মিক দিশ উপেক্ষা কৰে।

উপাধ্যায়ৰ মতে উন্নয়ন একমাত্রিক নহয়, বৰং সামঞ্জস্যপূর্ণ হ'ব লাগিব। তেওঁ অতিমাত্রাৰ ভোগবাদ আৰু ভৌতিকতাবাদৰ বিৰোধিতা কৰিছিল আৰু 'ইচ্ছা'ৰ ওপৰত 'প্রয়োজন'ক অগ্রাধিকাৰ দিছিল। তেওঁ ব্যক্তি আৰু প্রকৃতিৰ মাজত সামঞ্জস্য আৰু সহঅস্তিত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, যিয়ে উন্নয়নৰ আধুনিক ধাৰণাক আগতীয়াকৈ ইঙ্গিত দিয়ে।

১২.৬ পণ্ডিত দীনদয়াল উপাধ্যায়ৰ ৰাজনৈতিক চিন্তাধাৰাৰ প্রাসংগিকতা

পণ্ডিত দীনদয়াল উপাধ্যায়ৰ ৰাজনৈতিক চিন্তাধাৰাই ভাৰতৰ ৰাজনীতি, শাসনব্যৱস্থা আৰু উন্নয়নৰ বাবে এক স্বদেশী, নৈতিক আৰু সামগ্রিক কাঠামো আগবঢ়াবলৈ গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। তেওঁৰ "একাত্ম মানববাদ" দর্শনে সমসাময়িক ৰাজনৈতিক আলোচনা আৰু জননীতিত আজিও প্রভাৱ বিস্তাৰ কৰি আহিছে। উপাধ্যায়ৰ ৰাজনৈতিক চিন্তা পশ্চিমীয়া মতাদর্শসমূহৰ এক স্বদেশী বিকল্প। তেওঁ পুঁজিবাদ আৰু সমাজবাদ দুয়োটাক ভাৰতীয় সমাজৰ বাবে অনুপযুক্ত বিদেশী আমদানি বুলি প্রত্যাখ্যান কৰিছিল। তেওঁৰ চিন্তাধাৰা প্রাসংগিক, কাৰণ ই পৰিপ্রেক্ষিতভিত্তিক ৰাজনৈতিক তত্ত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে, ভাৰতীয় সংস্কৃতি আৰু সামাজিক বাস্তৱতাৰ আধাৰত নীতি-নির্মাণক উৎসাহিত কৰে আৰু পশ্চিমীয়া মডেলৰ ওপৰত বৌদ্ধিক নির্ভৰতাক প্রত্যাহ্বান জনায়।

সুশাসন সম্পর্কীয় বিতর্কসমূহত উপাধ্যায়ৰ ৰাজহুৱা জীৱনত নৈতিকতাৰ ওপৰত গুৰুত্ব পুনৰ উচ্চাৰিত হোৱা দেখা যায়। ৰাষ্ট্রৰ নৈতিক ভিত্তি হিচাপে 'ধর্ম'ৰ ওপৰত গুৰুত্ব, মূল্যবোধ-ভিত্তিক নেতৃত্ব, দায়বদ্ধতা আৰু ৰাজহুৱা নৈতিকতাৰ প্রয়োজনীয়তা-এইবোৰ আজিৰ ৰাজনীতিত দুর্নীতি আৰু নৈতিক অৱক্ষয়ৰ প্রসংগত বিশেষভাৱে প্রাসংগিক।

মানৱ-কেন্দ্রিক উন্নয়নৰ ক্ষেত্রতো তেওঁৰ চিন্তাধাৰা গুৰুত্বপূর্ণ। মানৱ মর্যাদা, তেওঁৰ এই মানৱকেন্দ্রিক

উন্নয়নৰ ধাৰণাই বহনক্ষম আৰু উন্নয়ণৰ ওপৰত জোৰ দিয়ে, যিয়ে অন্তর্ভুক্তিমূলক বর্তমানৰ বৈশ্বিক 'মানৱ উন্নয়ন' আৰু 'কল্যাণ' আলোচনাৰ সৈতে সংগতি ৰাখে। উপাধ্যায়ে বিকেন্দ্রীকৃত শাসনব্যৱস্থা আৰু স্থানীয় স্ব-শাসনৰ দৃঢ় সমর্থন কৰিছিল, যিয়ে অংশগ্রহণমূলক গণতন্ত্র আৰু স্থানীয় দায়বদ্ধতাৰ পক্ষে কথা কয়। এই ধাৰণাসমূহ সাম্প্রতিক 'সমাজ-নেতৃত্বাধীন উন্নয়ন'ৰ ধাৰণাত বিশেষভাৱে প্রাসংগিক। সাংস্কৃতিক জাতীয়তাবাদ সম্পর্কীয় তেওঁৰ ধাৰণাই বহুত্ববাদী সমাজত ৰাষ্ট্রীয় একতাৰ প্রত্যাহ্বানসমূহৰ উত্তৰ আগবঢ়ায়। তদুপৰি, মানুহ আৰু প্রকৃতিৰ মাজত সামঞ্জস্যৰ ওপৰত তেওঁৰ গুৰুত্ব বর্তমানৰ পৰিৱেশ আৰু পৰিবেশতান্ত্রিক সংকটসমূহৰ ক্ষেত্রতো গুৰুত্বপূর্ণ। তেওঁ অবিবেচক ঔদ্যোগিকীকৰণৰ বিৰোধিতা কৰিছিল আৰু প্রকৃতিৰ সৈতে সহঅস্তিত্বৰ প্রয়োজনীয়তা উল্লেখ কৰিছিল।

একাত্ম মানববাদ এনে এক দর্শন, যিয়ে ৰাষ্ট্রীয় সীমাৰেখা অতিক্রম কৰি সামাজিক বিচ্ছিন্নতা, ভোগবাদ আৰু জলবায়ু পৰিৱর্তনৰ দৰে বৈশ্বিক সমস্যাসমূহৰ সমাধানৰ বাবে এক সার্বজনীন কাঠামো প্রদান কৰে। ই সমসাময়িক সমাজত দেখা দিয়া বিচ্ছিন্নতা আৰু ভাঙোনমুখী চিন্তাধাৰাক প্রত্যাহ্বান জনাই মানৱ মর্যাদা আৰু আধ্যাত্মিক ভ্রাতৃত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই দৃষ্টিভংগী সময়োপযোগী হোৱাৰ লগতে বর্তমান বিশ্ব পৰিপ্রেক্ষিতত অত্যন্ত গুৰুত্বপূর্ণ।

১২.৭ উপাধ্যায়ৰ ৰাজনৈতিক চিন্তাধাৰাৰ সমালোচনা

ভাৰতীয় ৰাজনৈতিক আলোচনাত গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰাৰ পাছতো পণ্ডিত দীনদয়াল উপাধ্যায়ৰ ৰাজনৈতিক দর্শন, বিশেষকৈ তেওঁৰ "একাত্ম মানববাদ" (Ekatma Manav Darshan) মতবাদে বহু বিদ্বৎসমাজৰ সমালোচনা আকর্ষণ কৰিছে।

সমালোচকসকলে উল্লেখ কৰে যে 'ধর্ম', 'একাত্ম মানবতা' আৰু 'সাংস্কৃতিক জাতীয়তাবাদ'ৰ দৰে মুখ্য ধাৰণাসমূহ অধিক নীতিগত (normative) আৰু বিমূর্ত। এই ধাৰণাসমূহৰ স্পষ্ট আৰু নির্দিষ্ট সংজ্ঞাৰ অভাৱৰ বাবে বিভিন্ন ধৰণৰ ব্যাখ্যা সম্ভৱ হয়। ইয়াৰ ফলত পদ্ধতিগত বিশ্লেষণ আৰু প্রায়োগিক প্রয়োগ কঠিন হৈ পৰে।

সমালোচকসকলে এই কথাও উল্লেখ কৰে যে উপাধ্যায়ে সাংবিধানিক বিন্যাস, প্রশাসনিক গঠন আৰু নীতি ৰূপায়ণৰ ব্যৱস্থাসমূহ সম্পর্কে সুস্পষ্ট দিশ-নির্দেশ আগবঢ়োৱা নাছিল। সেয়ে বহুজনৰ মতে তেওঁৰ চিন্তাধাৰা অধিক দার্শনিক হৈ আছে, প্রয়োগমূলক নহয়।

উপাধ্যায়ৰ চিন্তাধাৰাক এই কাৰণেও সমালোচনা কৰা হয় যে ই সামাজিক সংঘাত আৰু অসমতাক যথেষ্ট গুৰুত্ব নিদিয়ে। তেওঁ শ্রেণী-সংগ্রাম আৰু সংঘাত-ভিত্তিক তত্ত্বৰ প্রত্যাখ্যান কৰিছিল। সমালোচকসকলৰ মতে, সামাজিক সম্প্রীতি আৰু সহযোগিতাৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰাত জাতিভিত্তিক দমন, শ্রেণী-শোষণ আৰু লিংগ বৈষম্যৰ দৰে বাস্তৱ সমস্যাসমূহ উপেক্ষিত হ'ব পাৰে।

তেওঁৰ সাংস্কৃতিক জাতীয়তাবাদৰ ধাৰণাকো সমালোচনা কৰা হয়, কাৰণ কিছুমানে ইয়াক সাংস্কৃতিক সমসত্ত্বতা (homogeneity) বা সংখ্যাগৰিষ্ঠ আধিপত্যৰ ৰূপে ব্যাখ্যা কৰে। তদুপৰি, অধিকাৰসমূহতকৈ কর্তব্যসমূহক অগ্রাধিকাৰ দিয়াৰ তেওঁৰ ধাৰণাই ব্যক্তিগত স্বাধীনতাৰ সুৰক্ষা দুর্বল কৰিব পাৰে আৰু সাংবিধানিক অধিকাৰসমূহক ক্ষীণ কৰিব পাৰে বুলি সমালোচকসকলৰ আশংকা।

ৰ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ পণ্ডিত দীনদয়াল উপাধ্যায়ৰ ৰাজ্য সম্পর্কীয় দৃষ্টিভংগী সম্বন্ধে সংক্ষেপে লিখক।

প্রশ্ন নং ৪ ঃ দীনদয়াল উপাধ্যায়ৰ ৰাজনৈতিক চিন্তাধাৰাৰ বিৰুদ্ধে উত্থাপিত যিকোনো দুটা সমালোচনা উল্লেখ কৰক।

2 ১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পণ্ডিত দীনদয়াল উপাধ্যায় (১৯১৬-১৯৬৮) এজন প্ৰখ্যাত ভাৰতীয় ৰাজনৈতিক চিন্তাবিদ, দাৰ্শনিক আৰু ভাৰতীয় জন সংঘৰ নেতা আছিল। তেওঁ "একাত্ম মানববাদ" (Integral Humanism) দৰ্শন প্ৰৱৰ্তন কৰাৰ বাবে বিশেষভাৱে জনাজাত। এই দৰ্শন ভাৰতীয় সাংস্কৃতিক পৰম্পৰাত মূলভূত এক স্বদেশী সামাজিক-ৰাজনৈতিক দৰ্শন।
- তেওঁৰ কলেজ জীৱনৰ সময়ত Rashtriya Swayamsevak Sangh (RSS)-ৰ সৈতে সম্পৃক্ততাই তেওঁৰ আদৰ্শিক বিকাশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল। ইয়াৰ ফলত তেওঁ ভাৰতক নিজস্ব সাংস্কৃতিক পৰম্পৰাৰ ওপৰত আধাৰিত কৰাৰ পক্ষে মত প্ৰকাশ কৰিছিল, যি পৰৱৰ্তীতে তেওঁৰ "একাত্ম মানববাদ" দৰ্শনত পৰিণত হয়।
- একাত্ম মানববাদ এক সামগ্ৰিক সামাজিক-ৰাজনৈতিক দৰ্শন, যিয়ে মানৱ জীৱনৰ ভৌতিক আৰু আধ্যাত্মিক দিশৰ সমন্বয় ঘটাই ব্যক্তি আৰু সমাজৰ সমগ্ৰ বিকাশ নিশ্চিত কৰে। এই দৰ্শন ১৯৬৫ চনত Pandit Deendayal Upadhyay-এ প্ৰৱৰ্তন কৰিছিল আৰু ইয়াক Bharatiya Jana Sangh-ৰ দিশ-নিৰ্দেশক দৰ্শন হিচাপে গ্ৰহণ কৰা হৈছিল, যি পাছলৈ Bharatiya Janata Party-ৰ পূৰ্বসূৰী দল হয়।
- একাত্ম মানববাদৰ আদৰ্শিক ৰূপৰেখা প্ৰাচীন ভাৰতীয় পৰম্পৰা আৰু সাংস্কৃতিক ঐতিহ্যৰ পৰা উদ্ভূত। ইয়াৰ দাৰ্শনিক ভিত্তি মূলতঃ 'ধৰ্ম'ৰ আদৰ্শৰ ওপৰত নিৰ্মিত।
- উপাধ্যায়ে 'একাত্ম মানববাদ'ৰ (Ekatma Manavvad) ধাৰণাটো প্ৰস্তাৱ কৰিছিল, য'ত মানুহক চাৰিটা স্তৰীয় বৈশিষ্ট্যৰ অধীনত চোৱা হয়, যিয়ে চাৰিটা সাৰ্বজনীন লক্ষ্যৰ সৈতে সম্পৰ্কিত—
    a. শৰীৰ (কাম): ইচ্ছা বা তৃপ্তি
    b. মন (অৰ্থ): ধন-সম্পদ
    c. বুদ্ধি (ধৰ্ম): নৈতিক কৰ্তব্য
    d. আত্মা (মোক্ষ) : মুক্তি বা পৰমোদ্ধাৰ।
- উপাধ্যায়ৰ মতে, সমাজ কেৱল মানুহৰ সমষ্টি নহয়, ববং এটা জীৱন্ত সত্তা যাৰ নিজৰ স্বকীয়তা আছে। এই দৃষ্টিভংগীয়ে সমাজক "কুটুম্ব" (পৰিয়াল) হিচাপে গণ্য কৰে, য'ত সহযোগিতা আৰু সাধাৰণ আদৰ্শৰ গুৰুত্ব অতিৰিক্ত।
- একাত্ম মানববাদৰ জৰিয়তে তেওঁ ভাৰতীয় সংস্কৃতি, পৰম্পৰা আৰু জীৱনদৰ্শন আধাৰিত উন্নয়নৰ পক্ষে মত প্ৰকাশ কৰিছিল, পশ্চিমীয়া মডেল অনুসৰণৰ বিৰোধীতা কৰিছিল। তেওঁ গ্ৰাম স্বৰাজ আৰু স্থানীয় স্ব-শাসনৰ জৰিয়তে বিকেন্দ্ৰীকৰণৰ সমৰ্থক আছিল। তেওঁ ব্যক্তিগত স্বাধীনতা আৰু সামূহিক কল্যাণৰ মাজত সমন্বয় ৰক্ষাৰ প্ৰয়োজনীয়তা আৰু প্ৰকৃতিৰ সৈতে সহঅস্তিত্বৰ গুৰুত্বও উল্লেখ কৰিছিল।
- পণ্ডিত দীনদয়াল উপাধ্যায়ৰ মতে ৰাষ্ট্ৰ সৰ্বোচ্চ নহয়; ই 'ধৰ্ম'ৰ নীতি অনুসৰি চলিব লাগিব।
- তেওঁৰ মতে, পশ্চিমীয়া গণতন্ত্ৰৰ ধাৰণা নিয়ন্ত্ৰণহীন শাসক আৰু পুঁজিবাদ-প্ৰেৰিত একাধিপত্যবাদী ৰাজ্যৰ পক্ষে সুবিধাজনক। যদিও তেওঁ গণতন্ত্ৰৰ মূল আদৰ্শৰ সৈতে সহমত আছিল, তেওঁৰ লক্ষ্য আছিল ইয়াক ভাৰতীয় ৰূপ দিয়া। তেওঁ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ ভাৰতীয়কৰণক সমৰ্থন কৰিছিল।
- উপাধ্যায়ে সাংস্কৃতিক জাতীয়তাবাদ আৰু ভাৰতীয় ঐতিহ্য সংৰক্ষণত বিশ্বাস কৰিছিল। তেওঁৰ মতে, এখন জাতি কেৱল ভৌগোলিক বা ৰাজনৈতিক সত্তা নহয়; ই এক জীৱন্ত সাংস্কৃতিক সত্তা, যি সমূহীয়া ইতিহাস, পৰম্পৰা, মূল্যবোধ আৰু সামূহিক চেতনাৰ দ্বাৰা গঢ়ি উঠে। সেয়েহে জাতীয়তাবাদ সাংস্কৃতিক একতাৰ ওপৰত আধাৰিত হ'ব লাগিব।
- অৰ্থনৈতিক দৃষ্টিভংগীত, উপাধ্যায়ে বিদেশী অৰ্থনৈতিক মডেলৰ বিৰোধিতা কৰিছিল আৰু স্বদেশী

আৰু বিকেন্দ্রীকৰণৰ পক্ষে মত প্রকাশ কৰিছিল। তেওঁৰ অর্থনৈতিক চিন্তাৰ মূল স্তম্ভ আছিল 'স্বদেশী'।

- উপাধ্যায়ৰ মতে, উন্নয়ন একমাত্রিক নহয়, বৰং সামঞ্জস্যপূর্ণ হ'ব লাগিব। তেওঁ অতিমাত্রাৰ ভোগবাদ আৰু ভৌতিকতাবাদক প্রত্যাখ্যান কৰিছিল আৰু 'ইচ্ছা'ৰ ওপৰত 'প্রয়োজন'ক অগ্রাধিকাৰ দিছিল। তেওঁ ব্যক্তি আৰু প্রকৃতিৰ মাজত সামঞ্জস্য আৰু সহঅস্তিত্বৰ প্রয়োজনীয়তা উল্লেখ কৰিছিল, যিয়ে টেকসই উন্নয়নৰ আধুনিক ধাৰণাক আগতীয়াকৈ ইঙ্গিত দিয়ে।
- একাত্ম মানববাদ এনে এক দর্শন, যিয়ে ৰাষ্ট্রীয় সীমাৰেখা অতিক্রম কৰি সামাজিক বিচ্ছিন্নতা, ভোগবাদ আৰু জলবায়ু পৰিৱর্তনৰ দৰে বৈশ্বিক সমস্যাৰ সমাধানৰ বাবে এক সার্বজনীন কাঠামো প্রদান কৰে। ই সমসাময়িক সমাজত দেখা দিয়া বিচ্ছিন্নতা আৰু ভাঙনক প্রত্যাহ্বান জনাই মানৱ মর্যাদা আৰু আধ্যাত্মিক ভ্রাতৃত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই দৃষ্টিভংগী সময়োপযোগী হোৱাৰ লগতে বর্তমান বিশ্ব পৰিপ্রেক্ষিতত অত্যন্ত গুৰুত্বপূর্ণ।

১২.৯ অধিক জানিবলৈ

1. Bhattacharyya, V. (2010). Political theory: Ideas and institutions. New Delhi, India: Pearson Education.
2. Sharma, B. N. (2014). Indian political thought (Rev. ed.). New Delhi, India: Atlantic Publishers and Distributors.
3. National Council of Educational Research and Training. (2015). Political theory (Textbook for Class XI). New Delhi, India: NCERT.
4. Upadhyaya, D. (1965). Integral humanism. New Delhi, India: Suruchi Prakashan.
5. Upadhyaya, D. (n.d.). Rashtra jeevan ki disha. New Delhi, India: Suruchi Prakashan.
6. Varma, V. P. (2010). Modern Indian political thought (Rev. ed.). New Delhi, India: Oxford University

১২.১০ অগ্রগতিৰ খতিয়ান

১ নম্বৰ প্রশ্নৰ উত্তৰ ঃ একাত্ম মানবতাবাদ (Integral Humanism) হৈছে এক সমগ্র সমাজ-ৰাজনৈতিক দর্শন, যি মানৱ জীৱনৰ ভৌতিক আৰু আধ্যাত্মিক দিশসমূহৰ মাজত ভাৰসাম্য স্থাপন কৰি ব্যক্তি আৰু সমাজৰ সামগ্রিক উন্নয়ন সাধন কৰিবলৈ চেষ্টা কৰে। এই দর্শনটো ১৯৬৫ চনত Pandit Deendayal Upadhyay-এ আগবঢ়াইছিল আৰু পাছলৈ Bharatiya Jana Sangh-ৰ পথপ্রদর্শক দর্শন হিচাপে গ্রহণ কৰা হৈছিল।

২ নম্বৰ প্রশ্নৰ উত্তৰ ঃ একাত্ম মানববাদ (Integral Humanism) মতে মানুহ হৈছে এটা সমন্বিত সত্তা, যি দেহ, মন, বুদ্ধি আৰু আত্মাৰে গঠিত। এইবোৰ জীৱনৰ চাৰিটা লক্ষ্যৰ সৈতে সম্পর্কিত— কাম (ইচ্ছা বা শাৰীৰিক প্রয়োজন), অর্থ (ধন-সম্পদ), ধর্ম (নৈতিক কর্তব্য) আৰু মোক্ষ (মুক্তি)। ইয়াৰ মাজত ধর্মক মৌলিক বুলি গণ্য কৰা হয় আৰু মোক্ষক ব্যক্তি আৰু সমাজ জীৱনৰ চূড়ান্ত লক্ষ্য হিচাপে বিবেচনা কৰা হয়।

৩ নম্বৰ প্রশ্নৰ উত্তৰ ঃ পণ্ডিত উপাধ্যায়ে মত প্রকাশ কৰিছিল যে ৰাষ্ট্রই সর্বোচ্চ নহয়; ই ধর্ম অনুসৰি চলিব লাগে। তেওঁৰ মতে ধর্ম কেৱল উপাসনাস্থলত সীমাবদ্ধ নহয় আৰু ই কেৱল ধর্মীয় আচাৰ-অনুষ্ঠানৰ সমান নহয়। তেওঁ যুক্তি দিছিল যে ধর্ম এটা বিস্তৃত ধাৰণা, যিয়ে সমাজ আৰু বিশ্বব্রহ্মাণ্ডক ধাৰণ আৰু

স্থিতিশীল কৰি ৰাখিবলৈ আধাৰ হিচাপে কাম কৰে। পৰিস্থিতি আৰু প্ৰয়োজন অনুসৰি সময় আৰু স্থানভেদে ইয়াৰ ৰূপ পৰিবৰ্তিত হ'ব পাৰে।

৪ নম্বৰ প্ৰশ্নৰ উত্তৰ ঃ

(i) সমালোচকসকলে কৈছে যে ধৰ্ম, একাত্ম মানবতাবাদ আৰু সাংস্কৃতিক জাতীয়তাবাদৰ দৰে মুখ্য ধাৰণাবোৰ নৈতিক আৰু বিমূৰ্ত স্বভাৱৰ। এই ধাৰণাবোৰৰ স্পষ্ট সংজ্ঞাৰ অভাৱৰ বাবে বিভিন্ন ব্যাখ্যা সম্ভৱ হয়। ফলত পদ্ধতিগত বিশ্লেষণ আৰু প্ৰায়োগিক প্ৰয়োগ কঠিন হৈ পৰে।

(ii) উপাধ্যায়ৰ চিন্তাধাৰাক এইটো বুলি সমালোচনা কৰা হয় যে ই সামাজিক সংঘাত আৰু অসমতাৰ বিষয়টো যথেষ্ট গুৰুত্ব নিদিয়ে, কিয়নো তেওঁ শ্ৰেণীসংগ্ৰাম আৰু সংঘাত-ভিত্তিক তত্ত্বৰ প্ৰত্যাখ্যান কৰিছিল। সমালোচকসকলৰ মতে, সামাজিক সম্প্ৰীতি আৰু সহযোগিতাত অধিক গুৰুত্ব দিয়াৰ ফলত জাতিগত অত্যাচাৰ, শ্ৰেণীগত শোষণ আৰু লিংগ বৈষম্যৰ দৰে সমস্যাবোৰ উপেক্ষিত হৈ যায়।

M ১২.১১ আৰ্হি প্ৰশ্ন

(ক) অতি চুটি প্ৰশ্ন

প্ৰশ্ন ১ ঃ একাত্ম মানৱতাবাদ (Integral Humanism)ৰ ধাৰণাটো কোনে আগবঢ়াইছিল?

প্ৰশ্ন ২ ঃ 'একাত্ম মানৱ দৰ্শন' (Ekatma Manav Darshan) বুলিলে কি বুজায়?

প্ৰশ্ন ৩ ঃ একাত্ম মানৱতাবাদৰ যিকোনো এটা নীতি উল্লেখ কৰক ।

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উপাধ্যায়ৰ চিন্তাধাৰাত 'ধৰ্ম'ৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ গণতন্ত্ৰ সম্পৰ্কে উপাধ্যায়ৰ মতামত আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ একাত্ম মানবতাবাদত 'স্বদেশী' ধাৰণাৰ ওপৰত এটি টোকা লিখক ।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পণ্ডিত দীনদয়াল উপাধ্যায়ৰ একাত্ম মানৱতাবাদ দৰ্শনৰ সমালোচনামূলক পৰ্যালোচনা কৰক।

প্ৰশ্ন ২ ঃ সমকালীন ভাৰতীয় ৰাজনীতিত একাত্ম মানৱতাবাদৰ প্ৰাসংগিকতা বিশ্লেষণ কৰক ।

প্ৰশ্ন ৩ ঃ একাত্ম মানৱতাবাদক সমাজবাদ আৰু পুঁজিবাদৰ সৈতে তুলনা কৰক ।

****